**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলচুখ উখনাৰ মাজত আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্য্যায়ৰ আলোচনাত মিলিত হয়।

২। বিজেপিয়ে বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৭১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুনৰাম মেঘৱালে আজি নতুন দিল্লীত গোচৰৰ স্থিতি আৰু প্ৰগতিৰ বিষয়ে অৱগত কৰোৱাৰ বাবে আইনী তথ্য ব্যৱস্থাপনা আৰু নিৰ্দেশনা ব্যৱস্থাৰ লাইভ কেছেছ ডেছ্‌বৰ্ড মুকলি কৰে।

৪। ভাৰতে কাইলৈৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰলৈ আন্তঃৰাষ্ট্ৰীয় ডাক সেৱা পুনৰ আৰম্ভ কৰিব।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত শ্ৰীলংকাই নিউজিলেণ্ডক জয়ৰ বাবে ২৫৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলচুখ উখনাৰ মাজত আজি নতুন দিল্লীত প্ৰতিনিধি পৰ্য্যায়ৰ আলোচনাত মিলিত হয়। বৈঠকত দুয়োপক্ষই মানৱীয় সাহায্য, মংগোলিয়াৰ ঐতিহাসিক স্থানৰ পুনৰুদ্ধাৰ, প্ৰব্ৰজন, ভূবিজ্ঞান আৰু খনিজ সম্পদৰ ক্ষেত্ৰত সহযোগিতা, সমবায়ৰ প্ৰসাৰ তথা ডিজিটেল সমাধান সূত্ৰৰ বিনিময়কে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। এই উপলক্ষে প্ৰধানমন্ত্ৰী মোদী আৰু শ্ৰীউখনাই যুটীয়াভাৱে  দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৭০ সংখ্যক বাৰ্ষিকীৰ লগত সংগতি ৰাখি এটা স্মাৰক ডাক টিকট জাৰি কৰে। বৈঠকৰ অন্তত  প্ৰধানমন্ত্ৰী মোদীয়ে নতুন দিল্লীত এখন যুটীয়া সংবাদমেলত কয়, যে ভাৰতে মংগোলিয়াৰ নাগৰিকসকলক বিনামূলীয়া ই-ভিছা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয়, যে ভাৰতে মংগোলিয়াৰ পৰা যুৱ-সাংস্কৃতিক দ্ৰুত বাৰ্ষিক ভাৰত যাত্ৰাৰ পৃষ্ঠপোষকতা কৰিব। তেওঁ লগতে কয়, যে ভাৰত আৰু মংগোলিয়াৰ মাজৰ সম্পৰ্ক অকল কূটনৈতিকে নহয়, বৰং দেশ দুখনৰ মাজত আধ্যাত্মিক আৰু ভাৱনাত্মক সম্পৰ্ক আছে। মংগোলিয়াত বৌদ্ধ ধৰ্মৰ বিকাশৰ ক্ষেত্ৰত নালন্দা বিশ্ববিদ্যালয়ে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি শ্ৰীমোদীয়ে

মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত আৰু মংগোলিয়াই নালন্দা আৰু গণ্ডন মঠৰ মাজত যোগসূত্ৰ স্থাপন কৰি এই ঐতিহাসিক সম্পৰ্কক নতুন গতি প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। তেওঁ কয়, যে ভাৰত, মংগোলিয়াৰ বিকাশ যাত্ৰাৰ নিৰ্ভৰযোগ্য সহযোগী। তেওঁ কয়, যে ভাৰতে আগবঢ়োৱা ১৭০ কোটি ডলাৰৰ ঋণেৰে নিৰ্মাণ কৰা তেল শোধনাগাৰ প্ৰকল্পই মংগোলিয়াত শক্তি সুৰক্ষা সুদৃঢ় কৰি তুলিব।

চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি নতুন দিল্লীত উপস্থিত হোৱা মংগোলিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ইয়াৰ পূৰ্বে ৰাজঘাট পৰিদৰ্শন কৰে আৰু মহাত্মা গান্ধীলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। শ্ৰীউখনাই আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। শ্ৰীমুৰ্মুৱে অভ্যাগত ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে আজি নৈশ ভোজমেলৰ আয়োজন কৰিছে। শ্ৰীউখনাৰ সৈতে মংগোলিয়াৰ কেবিনেট মন্ত্ৰী, সাংসদ, জ্যেষ্ঠ বিষয়া, বিশিষ্ট ব্যৱসায়ী আৰু সাংস্কৃতিক ক্ষেত্ৰৰ এটা প্ৰতিনিধি দলো ভাৰতলৈ আহিছে।

ooooo

বিজেপিয়ে বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৭১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি, উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে তাৰাপুৰ আৰু উপ-মুখ্যমন্ত্ৰী বিজয় সিনহাই লখীচৰাই আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। বিহাৰৰ স্বাস্থ্য মন্ত্ৰী মংগল পাণ্ডেই চিৱাং সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে, ৰাজ্যিক মন্ত্ৰী নীতিন নবীনে বাংকিপুৰ আৰু ৰেণু দেৱীক বেটীয়া সমষ্টিৰ পৰা দলীয় টিকট প্ৰদান কৰা হৈছে। ত্ৰি বিক্ৰম সিঙে ঔৰঙ্গাবাদ, শ্ৰেয়ীসী সিঙে জমুৰী আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাম কৃপাল যাদৱ দানাপুৰ আসনৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন কমিটিয়ে এই প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰিছে।

ooooo

কেন্দ্ৰীয় আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুনৰাম মেঘৱালে আজি নতুন দিল্লীত গোচৰৰ স্থিতি আৰু প্ৰগতিৰ বিষয়ে অৱগত কৰোৱাৰ বাবে আইনী তথ্য ব্যৱস্থাপনা আৰু নিৰ্দেশনা ব্যৱস্থাৰ লাইভ কেছেছ ডেছ্‌বৰ্ড মুকলি কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰীমেঘৱালে কয়, যে চৰকাৰী মোকৰ্দমা ব্যৱস্থাপনা অধিক স্বচ্ছ, দক্ষ আৰু উত্তৰদায়ী কৰি তোলাৰ উদ্দেশ্যে এই উদ্যম গ্ৰহণ কৰা হৈছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমেঘৱালে কয়, যে এই ডেছ্‌বৰ্ডৰ জৰিয়তে চৰকাৰে উচ্চতম ন্যায়ালয়, উচ্চ ন্যায়ালয় আৰু অন্য আদালতত পৰৱৰ্তী সাত দিনত শুনানী হ'বলগীয়া বিভিন্ন মন্ত্ৰালয় জড়িত সকলো গোচৰৰ সবিশেষ প্ৰদানৰ বাবে এটা ব্যৱস্থা বিকশাই তুলিছে। বিষয়া আৰু মন্ত্ৰীসকলে তেওঁলোকৰ কাৰ্য্যালয়ৰ ডেছ্‌বৰ্ডৰ জৰিয়তে এই তথ্য পোনপটীয়াকৈ নিৰীক্ষণ কৰিব পাৰিব আৰু পৰৱৰ্তী সপ্তাহত শুনানীৰ বাবে তালিকাভুক্ত গোচৰৰ সবিশেষ লাভ কৰিব পাৰিব।

ooooo

ভাৰতে কাইলৈৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰলৈ আন্তঃৰাষ্ট্ৰীয় ডাক সেৱা পুনৰ আৰম্ভ কৰিব। যোগাযোগ মন্ত্ৰালয়ে জাৰি কৰা এখন বিজ্ঞপ্তিত এইবুলি জনাইছে যে, ভাৰতীয় ডাক বিভাগে বিশদ প্ৰণালী উন্নয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সীমা শুল্ক আৰু সীমান্ত সুৰক্ষা বিভাগৰ সৈতে সমন্বয়েৰে প্ৰদান শুল্ক আদায় প্ৰক্ৰিয়াৰ বাবে এটা অনুপালন ব্যৱস্থা গঢ়ি তুলিছ। মন্ত্ৰালয়ে কৈছে, যে নতুন ব্যৱস্থাই নিয়ন্ত্ৰণ বিষয়ক নীতি-নিয়মসমূহৰ পালন, সীমা শুল্ক বিভাগৰ ক্ষীপ্ৰ অনুমোদন আৰু কোনো ধৰণৰ অতিৰিক্ত শুল্ক বা বিলম্ব অবিহনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ গ্ৰাহকসকললৈ অসুবিধাৰহিত প্ৰদান সুনিশ্চিত কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমত গুগল এ আইৰ হাব এটা মুকলি কৰাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত তেওঁ কয়, যে এই ব্যৱস্থাই আমাৰ নাগৰিকসকলক অত্যাধুনিক প্ৰযুক্তিৰ সৈতে পৰিচয় কৰি দিয়াৰ উপৰিও ডিজিটেল অৰ্থনীতিৰ দিশত দেশখনক আগুৱাই নিয়াৰ দিশত বিশেষ ভূমিকা গ্ৰহণ কৰিব। গুগলৰ মুখ্য কাৰ্য্যবাহী বিষয়া সুন্দৰ পিচাইয়ে দিয়া এটা বাৰ্তাৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে এই বিনিয়োগে গিগাৱাট স্কেল তথ্য কেন্দ্ৰ আন্তঃগাঁথনিক অন্তৰ্ভুক্ত কৰিছে, যিয়ে দেশখনক বিকশিত ভাৰতৰ দিশে আগুৱাই নিব।

ooooo

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ তথা যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি সংসদ ভৱনত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰে। বৈঠকৰ সময়ত তেওঁ উপ-ৰাষ্ট্ৰপতিগৰাকীক শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ লগতে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ উদ্যম আৰু নীতিগত সংস্কাৰৰ বিষয়ে অৱগত কৰে। উপ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে শ্ৰম আইনৰ সলনিকৰণ, সামাজিক সুৰক্ষা বৃদ্ধি আৰু বিভিন্ন ক্ষেত্ৰত কৰ্ম-সংস্থাপনৰ নতুন সুযোগ সৃষ্টিৰ বাবে শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে চলোৱা প্ৰচেষ্টাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে শ্ৰমিকসকলৰ কল্যাণ আৰু দেশৰ উন্নয়ন যাত্ৰাক সৰ্বাত্মক অৰ্থনৈতিক বিকাশৰ দিশে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মন্ত্ৰালয়ৰ প্ৰতিশ্ৰুতিৱদ্ধতাৰ শলাগ লয়। বৈঠকত শ্ৰম আৰু নিয়োগ দপ্তৰৰ ৰাজ্য মন্ত্ৰী শোভা কাৰান্দলাজে আৰু যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া ৰাজ্য মন্ত্ৰী নিখিল খড়ছে উপস্থিত থাকে।

ooooo

শেহতীয়া বানত ক্ষতিগ্ৰস্ত ৩৬ হাজাৰ ৭০৩ টা বাসগৃহৰ পুনৰনিৰ্মাণৰ বাবে পাঞ্জাৱ চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। লুধিয়ানাত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে পূৰ্বতে  ১৪ হাজাৰ বাসগৃহৰ প্ৰস্তাৱ দিছিল আৰু পাছত পুনৰনিৰ্মাণৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা বাসগৃহৰ সংখ্যা ৩৬ হাজাৰ ৭০৩ টা বৃদ্ধি কৰা হৈছিল। প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰালয়ে যোৱা নিশা এই প্ৰস্তাৱ গ্ৰহণ কৰা বুলি তেওঁ জানিবলৈ দিয়ে। শ্ৰীচৌহানে কয়, যে এই সন্দৰ্ভত পাঞ্জাৱৰ কৃষি মন্ত্ৰী গুৰমিত সিং খুদিয়ানলৈ সন্মতি পত্ৰ প্ৰেৰণ কৰা হৈছে। তেওঁ লগতে কয়, যে ৰাজ্যখনৰ বান প্ৰভাৱিত খেতিয়কসকলক বিনামূলীয়া শস্যৰ বীজ প্ৰদান কৰিবলৈ ৭৪ কোটি টকা মোকলাই দিয়া হৈছে। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইন কাৰ্য্যসূচীৰ অধীনত কৰ্ম দিন ১০০ৰ পৰা ডেৰশ দিনলৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

ooooo

স্থল সেনা বাহিনীৰ ৰণনীতি শাখাৰ উপ-মুৰব্বী লেফটেনেণ্ট জেনেৰেল ৰাজীৱ ঘায়ে অপাৰেচন সিন্দূৰৰ সময়ত বায়ু সেনাই পাকিস্তানৰ ১২-১৩ খন সামৰিক বিমান ভূপাতিত কৰা বুলি আৰু শতাধিক সন্ত্ৰাসবাদীক নিধন কৰা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰসংঘৰ অভিযানত অৱদান আগবঢ়োৱা ৩২ খন দেশৰ মুৰব্বী আৰু প্ৰতিনিধিসকলৰ সন্মিলনত ভাষণ দি লেফটেনেণ্ট জেনেৰেল ঘায়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰ সেনা বাহিনীৰ তিনিওটা শাখাৰ অভিযান আছিল। এই অভিযান সামৰিক সূক্ষ্মতা, কূটনৈতিক ক্ষীপ্ৰতা, তথ্য বিষয়ক শ্ৰেষ্ঠত্ব আৰু অৰ্থনৈতিক সুবিধাৰ অভিনৱ সংযোজন আছিল বুলি তেওঁ মন্তব্য কৰে।

০০০০০

জলশক্তি মন্ত্ৰালয়ে আজি ঘোষণা কৰে যে, জনসংযোগ বিষয়ত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী অথবা স্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানত জনসংযোগ বিষয়ত গৱেষণা কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা ইণ্টাৰ্ণশ্বিপ কাৰ্য্যসূচীৰ ব্যৱস্থা কৰা হ'ব। এই ইণ্টাৰ্ণশ্বিপত নিৰ্বাচিত প্ৰাৰ্থীসকলে প্ৰতিমাহে ১৫ হাজাৰ টকাকৈ মুঠ ৬ মাহৰ বাবে প্ৰদান কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে HTTPS://MOWR.NIC.IN/INTERNSHIP ৱেবচাইটৰ জৰিয়তে আবেদন কৰিব পাৰিব। আবেদনৰ অন্তিম তাৰিখ ২৪ নবেম্বৰ, ২০২৫।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত শ্ৰীলংকাই নিউজিলেণ্ডক জয়ৰ বাবে ২৫৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০

সমাপ্ত